### ছাত্ৰ একতা সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

# গোৱালপাৰা মহাবিদ্যালয়ত নিৰ্বাচন স্থগিত, তিনি ছাত্ৰক নিলম্বন



প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১৭ অক্টোবৰ ঃ গোৱালপাৰা মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি যোৱা নিশা মহাবিদ্যালয় চৌহদত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে জনোৱামতে লিংডো কমিছনৰ নীতি- নিৰ্দেশনা উলংঘন কৰি একাংশ ছাত্ৰ সংগঠনৰ সমৰ্থকে মহাবিদ্যালয়ৰ চৌহদত নিৰ্বাচনী প্ৰচাৰ চলোৱাত আন একাংশ ছাত্ৰ সংগঠনে ইয়াৰ ■ ১৬ পৃষ্ঠাত

# গোৱালপাৰা মহাবিদ্যালয়ত নিৰ্বাচন

বিৰোধিতা কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। লিংডো কমিছনৰ নিয়মানুসাৰে ভোটগ্ৰহণৰ ২৪ ঘণ্টাৰ আগত মহাবিদ্যালয় চৌহদৰ এশ মিটাৰৰ ভিতৰত কোনো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰি। কিন্তু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু এন এছ ইউ আই ছাত্ৰ সংগঠনে মহাবিদ্যালয়ৰ চৌহদত কালি প্ৰচাৰ চলোৱা বুলি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, আৰছু আৰু ছাত্ৰ পৰিষদে মহাবিদ্যালয়ৰ নিৰ্বাচনী পৰিষদক লিখিত অভিযোগ দিয়াৰ লগতে প্ৰচাৰ চলোৱাৰ ভিডিঅ' দাখিল কৰে। অভিযোগ পোৱাৰ পাচতেই নিৰ্বাচনী পৰিষদ এই বিষয়ত আলোচনাত মিলিত হয় আৰু আলোচনাৰ অন্তত ছাত্ৰ একতাৰ নিৰ্বাচন স্থগিত কৰে। সভাৰ সিদ্ধান্ত অনুসৰি লিংডো কমিছনৰ নীতি উলংঘন কৰি নিৰ্বাচনী প্ৰচাৰ চলোৱা ঘটনা অনুসন্ধান কৰিবলৈ এখন ৫ জনীয়া অনুসন্ধান কমিটী গঠন কৰি দিয়া হয়। উল্লিখিত নীতি-নিৰ্দেশনা জানিও নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ অভিযোগত তিনিজন ছাত্ৰক সাত দিনৰ বাবে মহাবিদ্যালয়ৰ পৰা নিলম্বন কৰা হৈছে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন আজি অনুষ্ঠিত হোৱাৰ কথা আছিল।